**বিজ্ঞান ধাৰাৱাহীক – অবিৰত বিকাশৰ ....**

**খণ্ড – ২৯ – জলবায়ু পৰিৱৰ্ত্তন – সহাঁৰিৰ কৌশল**

**ড° চয়ণিকা শৰ্মা**

(মূল লেখনীৰ অসমীয়া ৰূপান্তৰ)

**চৰিত্ৰ সমূহ**

**১. ড° সাগৰিকা শৰ্মা – পৰিৱেশ বিজ্ঞানৰ অধ্যাপিকা**
**২. চন্দন শইকীয়া – জ্যেষ্ঠ বৈজ্ঞানিক**
**৩. অৰ্চিতা – এম. চি ৰ ছাত্ৰী**
**৪. অনীশ দুৱৰা - NTPC ৰ বৈজ্ঞানিক**
**৫. ড° নব তামুলী - IITM ৰ বৈজ্ঞানিক**
**৬. ড° আকাশ বৰুৱা – পৰিৱেশ বিজ্ঞানী**
**৭. সুব্ৰত – টি . টি . ই. (T.T.E.)**
**৮. কেন্টিন বয়**

**দৃশ্য ১**

**(ৰেল ষ্টেচনৰ কোলাহল)**

**অনীশ– বাইদেউ, অলপ চাবচোন। মোৰ বস্তুবাহানিখিনি অলপ সুমুৱাই দিওঁ। মোৰ ওপৰৰ বাৰ্থটো ৰিজাৰ্ভ আছে। মোৰ নাম অনীশ দুৱৰা। মই** National Thermal Power Corporation **ৰ বিজ্ঞানী। মোৰ বন্ধু চন্দন শইকীয়াৰো ইয়াতে ৰিজাৰ্ভেশ্বন আছে।**

**সাগৰিকা – অঁ ঠিক আছে। মই সাগৰিকা শৰ্মা। আপোনাক লগ পাই ভাল পালো। মই তলৰ বাৰ্থত থাকিম।**

**অনীশ- ধন্যবাদ বাইদেউ। আপুনি ক'ৰ পৰা আহিছে?**

**সাগৰীকা – মই গুৱাহাটীৰ পৰা আহিছোঁ। মোৰ লগত মোৰ ছাত্ৰী অৰ্চিতা আহিছে। আমি চেন্নাইলৈ যাম।**

**অৰ্চিতা – নমস্কাৰ, মই অৰ্চিতা।**

**(ৰেল চলাৰ শব্দ)**

**অনীশ- নমস্কাৰ! সাগৰিকা বাইদেউ আপুনি কোন বিভাগত কাম কৰেনো?**

**সাগৰিকা – অনীশ! মই পৰিৱেশ বিজ্ঞান বিভাগৰ অধ্যাপিকা। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কৰো। এতিয়া চেন্নাইলৈ গৈ আছো – জলবায়ু পৰিৱৰ্ত্তন সম্পৰ্কীয় অধিবেশন এখনত যোগদান কৰাৰ বাবে। আপোনাৰ বন্ধু শইকীয়া নাহিলচোন –**

**অনীশ – তেখেত খড়গপুৰতহে উঠিব। তাত তেওঁৰ বায়েক থাকে। আমি দুয়ো একেটা বিভাগতে কাম কৰো। ভাৰতীয় বতৰ বিজ্ঞান বিভাগত. অলপতে মই NTDC লৈ বদলি হৈ গৈছোঁ। আমিও চেন্নাইলৈ যাম। তাত অত্যধিক বৰষুণ আৰু বানপানীৰ প্ৰভাৱৰ ওপৰত কিছু অধ্যয়ণ কৰিম।**

**সাগৰীকা – বৰ ভাল কথা।**

**অনীশ – বাৰু বাইদেউ, আপুনি যে এই ট্ৰেনজিচটৰ ৰেডিঅ'টো লগত লৈ আছে - কিবা বিশেষ অনুষ্ঠান আছে নেকি?**

**সাগৰীকা – হয় অনীশ। আজি দেওবাৰ। আজি প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ 'মন কি বাত' অনুষ্ঠান আছে ।**

**অনীশ – অ' বৰ ভাল কথা। আপুনি কি বিষয় আটাইতকৈ ভাল পায় বাইদেউ?**

**সাগৰিকা – জলবায়ু পৰিবৰ্ত্তন বিষয়টো।**

অনীশ – হয়। সমগ্ৰ পৃথিৱীতে এইটো এটা স্পৰ্শকাতৰ বিষয় হৈ পৰিছে।

সাগৰিকা – গোলকীয় উত্তাপ বৃদ্ধিৰ ফলতেই চেন্নাইত এনে আবতৰীয়া অধিক বৃষ্টিপাত হ'বলৈ পালে। অকল চেন্নাইতেই নহয়, বিশ্বৰ বিভিন্ন ঠাইত এনে দুৰ্য্যোগ সঘনে দেখিবলৈ পোৱা গৈছে।

অনীশ – হয় বাইদেউ! সমগ্ৰ বিশ্ববাসী এতিয়া জলবায়ু পৰিবৰ্ত্তনৰ বাবে চিন্তাত পৰিছে আৰু তাৰ বাবে বিশ্বজুৰি কিছুমান পদক্ষেপ লৈছে। এই ক্ষেত্ৰত মানুহৰ ভূমিকা অতিশয় গুৰুত্বপুৰ্ণ।

সাগৰীকা – আপুনি একেবাৰে শুদ্ধ কথাই কৈছে। বিকল্প ইন্ধন হিচাপে সৌৰশক্তিৰ ব্যৱহাৰ ব্যাপক কৰিব পাৰিলেই, পৰিস্থিতি উন্নত হ'ব।

অনীশ – এইয়াতো একেবাৰে ঠিক কথা। সৌৰশক্তি হৈছে একেবাৰে প্ৰদূষণবিহীন এক ইন্ধন। অন্ধ্ৰপ্ৰদেশ চৰকাৰে কৃষকসকলক এক লাখ টকাৰ সৌৰ পাম্পছেট দিছে বিনামুল্যে। তেওঁলোকে তেওঁলোকৰ পথাৰত সেইবোৰ ব্যৱহাৰ কৰে আৰু খেতি নথকা দিনত সেই সৌৰশক্তি বিক্ৰিও কৰে।

সাগৰীকা – বৰ ভাল কথা। আপুনি জানেনে অলপতে অভিনৱ পদ্ধতিৰে অতি পাতল আৰু ভাঁজ কৰিব পৰা সৌৰ পেনেল হেলিকপ্তাৰত লগাই সমুদ্ৰ জৰীপ জাহাজ আই এন এচ  চাৰ্ভকচকৰ পৰিচালনা খৰছ শূন্যলৈ হ্ৰাস কৰিছে। ইয়াৰ দ্বাৰা বছৰি ৬০ হাজাৰ কিলোগ্ৰামতকৈ অধিক কাৰ্বন নিৰ্গমন কমাব পৰা গৈছে।

অনীশ – এইটো বৰ আমোদজনক কথা।

সাগৰীকা – সচাঁই এইয়া বৰ ভাল কথা। আমাৰ দেশত কেন্দ্ৰ চৰকাৰে শক্তি সংৰক্ষণ পুঁজি গঠন কৰি ৰাজ্য সমূহকো আৰ্থিক অনুদান দি শক্তি অপচয় নোহোৱাকৈ শক্তিৰ উপযুক্ত ব্যৱহাৰ আৰু সংৰক্ষণৰ বাবে উদগনি যোগাইছে।

অনীশ – জলবায়ু পৰিৱৰ্ত্তনৰ বাবে ৰাষ্ট্ৰীয় কাৰ্য্যকৰী আচঁনি আছে। এই সকলোৰে কিছুমান নিৰ্দ্দিষ্ট লক্ষ্য আছে।

সাগৰীকা – সেই কেইটা হ'ল – শক্তি সক্ষমতা বৃদ্ধিৰ ৰাষ্ট্ৰীয় অভিযান, বাসভূমিৰ ধাৰাৱাহিকতাৰ ৰাষ্ট্ৰীয় অভিযান, ৰাষ্ট্ৰীয় জল অভিযান আৰু সেউজ ভাৰতবৰ্ষৰ ৰাষ্ট্ৰীয় অভিযান আদি।

অনীশ – হয় বাইদেউ, মোৰ আনবোৰ অভিযানৰ কথাও মনত পৰিছে। ৰাষ্ট্ৰীয় সৌৰ অভিযান, জলবায়ু পৰিৱৰ্ত্তনৰ বাবে কৌশলগত জ্ঞানৰ বাবে ধাৰাৱাহিক কৃষিৰ ৰাষ্ট্ৰীয় অভিযান, হিমালয় পৰিস্থিতিতন্ত্ৰৰ ধাৰাৱাহিকতাৰ ৰাষ্ট্ৰীয় অভিযান।

সাগৰীকা – এই সকলোবোৰ অভিযানৰ দায়িত্ব ভগাই দিয়া হৈছে।

সুব্ৰত – টিকট প্লিজ – টিকট দেখুওৱাওকচোন – আপোনালোকৰ পৰিচয় পত্ৰ দেখুৱাব।
সাগৰীকা আৰু অনীশ -  এইয়া লওক।

সুব্ৰত – বাৰু ...। ওঁ ওঁ ...। অ' আপোনালোক দুয়ো পৰিৱেশ বিজ্ঞানী।

অনীশ – হয় – আমি দুয়ো পৰিৱেশ সম্পৰ্কীয় কথা বতৰা পাতি আছোঁ।

সুব্ৰত – মোৰ নাম সুব্ৰত চৌধুৰী। মই শক্তি আৰু পৰিৱেশ বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লৈছোঁ।

সাগৰীকা – বৰ ভাল কথা সুব্ৰত চৌধুৰী। ৰেলবিভাগে শক্তি সংৰক্ষণৰ কিবা ব্যৱস্থা লৈছেনে বাৰু?

সুব্ৰত – নিশ্চয় লৈছে। ভাৰতীয় ৰেল বিভাগে প্ৰকৃতিৰক্ষক ৰেলসেৱাৰ বাবে নানাধৰণৰ শক্তি সংৰক্ষণমূলক প্ৰযুক্তি হাতত লৈছে। শক্তি সক্ষম চিলিং ফেন, এলইডি বাল্ব ইত্যাদি ব্যৱহাৰ কৰা হৈছে। লগতে সৌৰ পাম্প আৰু আন আন আহিলা ব্যৱহাৰ কৰি প্ৰায় তিনি শতাংশ বিদ্যুৎ ৰাহি কৰা হৈছে।

অনীশ – বৰ ভাল কথা চৌধুৰী।

সুব্ৰত – বৰ ভাল লাগিল আপোনালোকক লগ পাই। পিছে মই আহোঁ – আপোনালোকৰ যাত্ৰা শুভ হওক। বাই ..

(ৰেল ৰোৱা শব্দ। ষ্টেচনৰ কোলাহল)

দৃশ্য ২

অনীশ – অ' সৌৱা চন্দন শইকীয়া। শইকীয়া আহক এইফালে। আপোনাৰ বয়বস্তুখিনি এইখিনিতে থওঁক – মোৰ বস্তুৰ কাষতে ৰাখক। এইয়া ড০ সাগৰিকা শৰ্মা – ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিদ্যাৰ অধ্যাপিকা আৰু এইয়া তেখেতৰ ছাত্ৰী অৰ্চিতা।

সাগৰিকা আৰু অৰ্চিতা – নমস্কাৰ।

শইকীয়া – নমস্কাৰ মহাশয়া। অনীশ আৰু মই ভাল বন্ধু আৰু সহকৰ্মী। আমি একেলগে ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰত কাম কৰিছো।

সাগৰিকা – হয় অনীশে মোক সকলো কৈছে।

চাহৱালা – চাহ চাহ

সাগৰিকা – অলপ অলপ চাহ খাওঁ দিয়ক

অনীশ – নিশ্চয় নিশ্চয়। মোৰ লগত বিস্কুট আছেই।

সাগৰিকা – হ'ব দিয়ক। হেৰা! চাহ দিয়াচোন – চাৰিকাপ দিয়া।

অনীশ আৰু শইকীয়া – ধন্যবাদ

সাগৰিকা – আমি কি কথা পাতি আছিলো

অনীশ – শইকীয়াই জলবায়ু পৰিৱৰ্ত্তন, সেউজগৃহ গেছ আদিৰ কথা কৈ আছিল।

শইকীয়া – হয়। এইটো বৰ জৰুৰী বিষয়। সকলোৱে এই বিষয়ে গভীৰ ভাৱে ভাবিবলৈ হ'ল।

অনীশ – আপোনাৰ হাতত থকা বাতৰি কাকতখন আজিৰ নেকি?

শইকীয়া – হয়, আজিৰ।

অনীশ – চাওঁ - । অ’ এইয়া বাতৰিটো ওলাইছে।

শইকীয়া – কি অনীশ?

অনীশ - এন্টাৰ্ক্টিকাৰ বৰফ বহুত গলিবলৈ লৈছে। যুক্তৰাষ্ট্ৰৰ কৃত্ৰিম উপগ্ৰহৰ তথ্য অনুসৰি বিগত চাৰিদশকত এন্টাৰ্ক্টিকাৰ সাগৰ পৃষ্ঠ বহু ওপৰলৈ উঠিছে।

শইকীয়া – সাগৰৰ বৰফ দুয়োটা মেৰুতে বহু পৰিমানে গলিবলৈ লৈছে – ইয়াৰ মূল কাৰণ হ’ল মানুহৰ কৃতকৰ্মৰ ফলত বৃদ্ধি হোৱা গোলকীয় উত্তাপ।

সাগৰিকা – হয়। মই জানিবলৈ পাইছোঁ – আমাৰ গ্ৰহৰ প্ৰতি পাচোঁটা জীৱ যোৱা কেইদশকত সেউজ গৃহ গেছৰ প্ৰভাৱত বিলুপ্ত হ’ব ধৰিছে।

শইকীয়া- একেবাৰে ঠিক কথা। সমগ্ৰ বিশ্বৰ সকলোৱে পৰিৱেশৰ এই দুৰ্দ্দশা আৰু ভয়ংকৰ পৰিণতিৰ কথা প্ৰকাশ কৰিছে। এই সমস্যাবোৰ আলোচনা কৰিবলৈ ১৯৯২ চনত ৰিঅ’ ডি জেনেৰিঅ’ত আন্তৰ্জাতিক সন্মিলন এখন হৈছিল।

অনীশ – সেই আলোচনা বৰ ফলপ্ৰসু নহ’ল – সকলো ঐক্যবদ্ধ হৈ ঐক্যমত পোষণ নকৰিলে। শইকীয়া মোৰ মনত পৰে আপুনিও যেন তাত অংশগ্ৰহণ কৰিছিলে।

শইকীয়া – হয়। তাত উন্নত আৰু উন্নয়নশীল দেশসমূহক ভাগ কৰি, নিজ নিজ দেশৰ পাৰিপাৰ্শ্বিক বিশৃংখলতাবোৰ নাইকিয়া কৰিবলৈ দায়িত্ব দিয়া হৈছিল। সমগ্ৰ ৰাষ্ট্ৰক উত্তৰাদক্ষিনাকৈ দুভাগ কৰি দিয়া হৈছিল।

অৰ্চিতা – চাৰ সেই অধিৱেশনখন কিয় ফলপ্ৰসসু নহ’ল?

শইকীয়া – ভাৰত, চীন আৰু তৃতীয়বিশ্বৰ দেশসমূহে মিলি ৭৭ খনৰ এটা দল গঠন হ’ল আৰু উন্নত দেশ ৭ খন মিলি এটা দল হ’ল। উন্নয়নশীল দেশসমূহৰ আপত্তি হ’ল যে উন্নত দেশসমূহত প্ৰদূষণ অধিক – যিটো তেওঁলোকে নৈতিকভাৱে মানি লোৱা উচিত। কিন্তু উন্নত দেশসমূহে সেইটো মানি নলয়। সেইকাৰণে মতৰ অমিল হৈ সেই অধিৱেশণ ফলপ্ৰসূ নহ’ল।

অনীশ – শইকীয়া পিছলৈ কিবা এটা মীমাংসা হ’ল নেকি?

সাগৰিকা – হয় সেইয়া হ'ল – জলবায়ু পৰিৱৰ্তন সম্পৰ্কীয় সন্মিলিত জাতিপুঞ্জৰ এক শীৰ্ষ অনুষ্ঠান চমুকৈ UNFCC ।

শইকীয়া –ঠিকেই কৈছে মহাশয়া। ইয়াৰ মূল উদ্দেশ্য হৈছে সেউজগৃহৰ গেছৰ গাঢ়তা কমাই বায়ুমণ্ডল সুস্থ কৰি ৰাখি জলবায়ুত প্ৰতিকুল আৰু ভয়ংকৰ প্ৰভাৱ কম কৰা। ১৯৯৪ চনত ই কাৰ্য্যকৰী হৈছে।

সাগৰিকা – কিঅ'ট'ত এখন চুক্তি হৈছিল নহয়নে?

অনীশ – হয় – সেইয়া ১৯৯৭ চনত।

শইকীয়া – হয় অনীশ। কিয়ট' প্ৰটকল এখন আন্তৰ্জাতিক চুক্তি। এইখন বিশ্বৰ প্ৰথম আইনসঙ্গত জলবায়ু পৰিবৰ্ত্তনৰ চুক্তি। এইখন ২০০৫ চনত কাৰ্য্যকৰী হয়। এই চুক্তিমতে ঔদ্যোগিক ৰাষ্ট্ৰবোৰে তেওঁলোকৰ সেউজগৃহ গেছৰ নিৰ্গমনৰ পৰিমাণ ২০০৮ ৰ পৰা ১২ চনৰ ভিতৰত ৫ শতাংশ কমাব লাগিব।

সাগৰিকা – মই ভাৱো আমেৰিকা যুক্তৰাষ্ট্ৰই কিঅ' ট' প্ৰটকল সমৰ্থন কৰা নাই।

শইকীয়া – আপুনি ঠিকেই কৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ২০০২ চনতেই ইয়াৰপৰা সমৰ্থন উঠাই লৈছে। ৰাছিয়াই ২০০৪ চনত স্বাক্ষৰদান কৰিছে। তাৰ মানে কিঅ'ট'ত আৰু ৫৫ খন ৰাষ্ট্ৰই ২০০৫ চনৰ ভিতৰত যোগ দিলে। ইমানখিনি দৃঢ় পদক্ষেপ লোৱা স্বত্বেও সেউজগৃহ গেছ নিৰ্গতকৰণ বৃদ্ধি পায়েই আছে। ইয়ে উন্নয়নৰ ধাৰাবাহিকতা প্ৰতিৰোধ কৰাৰ উপৰিও সমাগত দশকবিলাকত বহু নিযুত মানুহলৈ সংশয় কঢ়িয়াই আনিছে।

অনীশ – কিঅ'ট' প্ৰটকল ২০১২ চনত শেষ হৈছে।

শইকীয়া – হয়। প্ৰথম পৰ্য্যায়ৰ কাম শেষ হৈছে। কিন্তু দ'হাত হোৱা সন্মিলনীত এই প্ৰটকলৰ সংশোধনী কৰি ২০২০ চনলৈকে ইয়াৰ ম্যাদ বৃদ্ধি কৰা হৈছে।

সাগৰিকা – আকৌ পেৰিছ চুক্তিও আছে নহয়

অনীশ – হয়।

সাগৰিকা – অনীশ আমি কিবা এটা ষ্টেচন পালো নহয়

অনীশ – হয়। ইয়াৰে পৰা বিজয়ৱাড়া পাবলৈ ৯০  মিনিট লাগিব। আমি কিবা খাব লাগিছিল। প্লেটফৰ্মত সৌৱা ফল দেখিছো। মই নামি গৈ কল আৰু আপেল লৈ আহো ৰ'ব।

শইকীয়া – হ'ব দিয়ক

(দৃশ্য সলনি/ সংগীত)

অনীশ – শইকীয়া, ধৰকছোন – অৰ্চিতা লোৱা দুয়োৰে বাবেই দিছো।

অৰ্চিতা – ধন্যবাদ চাৰ। অ’ ৰেলখন চলিলেই অ’ তেখেতসকল আমাৰপিনে আহিছে যেন লাগিছে – বাইদেউ চাবচোন মই ভিতৰ সোমাই দিওঁ।

শইকীয়া – হাৰে – ড° আকাশ বৰুৱা দেখোন। অ’ ড° নব তামুলীও চোন।

অনীশ – আপোনালোক ইয়াত যে?

ড° তামুলী –হাৰে অনীশ – ইয়াৰ কাষৰ কম্পাৰ্টমেন্টটোত আমাৰ আসন।

ড° আকাশ – অনীশ আমি চেন্নাইলৈ গৈ আছোঁ।

অনীশ – ড° তামুলী, ড° আকাশ আপোনালোকৰ বস্তু বাহানি নিজৰ ঠাইত থৈ ইয়াতে বহকহি।

ড° আকাশ – ধন্যবাদ অনীশ – দুই মিনিটৰ ভিতৰত আহি আছোঁ ৰ’ব।

(সংগীতেৰে সময় বিৰতি)

ড° তামুলী – এইয়া ...

অনীশ – এইয়া ড° সাগৰিকা শৰ্মা অধ্যাপিকা পৰিৱেশ বিদ্যা বিভাগ আৰু তেওঁ অৰ্চিতা ছাত্ৰী।

সাগৰিকে আৰু অৰ্চিতা – নমস্কাৰ

আকাশ আৰু তামুলী – নমস্কাৰ

অনীশ – আমি জলবায়ু পৰিবৰ্ত্তন আৰু সেউজগৃহ গেছ নিৰ্গমন প্ৰতিৰোধ সম্পৰ্কে কথা পাতি আছিলো।

সাগৰিকা – আমি বিশ্বৰ আন্তৰ্জাতিক সন্মিলন UNFCCC আৰু কিঅ’ট’ প্ৰটকলৰ কথা আলোচনা কৰি আছিলো।

ড° তামুলী – আলোচনাৰ বিষয় বস্তু বৰ ভাল হৈছে। এনেই ভ্ৰমনকালত এনে বিষয়ক কথাবতৰা কমেই চলে। ড° আকাশ বৰুৱাই এই দিশৰ বহু কথা বহু বিতংভাৱে জানে।

শইকীয়া – পেৰিছ চুক্তি পৃথিৱীৰ প্ৰথম জলবায়ু সংক্ৰান্তীয় চুক্তি। ১৯৫ খন ৰাষ্ট্ৰৰ অংশগ্ৰহণেৰে ২০১৫ চনৰ নবেম্বৰত পেৰিছত UNFCCC ৰ অধিৱেশন বহে। এই চুক্তিমতে ২০২০ চনত, সেউজগৃহ নিৰ্গমন প্ৰতিৰোধ, অধিগ্ৰহণ আৰু আৰ্থিক সাহায্য আদি সামৰি লোৱা হ'ব।

সাগৰিকা – সেই জলবায়ু আচঁনি খনৰ প্ৰধান উদ্দেশ্য কি বাৰু?

ড° আকাশ – যি কোনো ক্ষেত্ৰতে অৰ্থাৎ দৰিদ্ৰতা নিৰ্মূল, খাদ্য সুৰক্ষা, স্বাস্থ্য আৰু শিক্ষা ইত্যাদিত জলবায়ু পৰিবৰ্ত্তনৰ প্ৰতি সজাগ হোৱাৰ বাবে আমাৰ দেশে ...

ড° তামুলী – ভিন ভিন পদক্ষেপ লৈছে। যি কোনো আচঁনি গ্ৰহণ কৰোতে জলবায়ু পৰিৱৰ্ত্তন বিষয়টোৰে প্ৰাধান্য লাভ কৰিছে।

কেন্টিন বয় – বিজয়ৱাড়াত নিশাৰ আহাৰ দিয়া হ'ব – আপোনালোকে কিবা অৰ্ডাৰ আছে নেকি?

অনীশ – অঁ ছয়প্লেট ভাত দিবা। নিৰামিষ নে আমিশ কি খাব আপোনালোকে?

তামুলী, আকাশ আৰু শইকীয়া – নিৰামিষ

কেন্টিন বয় – অ' কে ছাৰ!

সাগৰিকা – অ' আকৌ সুধো বাৰু IPCC ৰ ভূমিকা কি বাৰু?

অৰ্চিতা - IPCC মানে হ'ল INTERGOVERNMENTAL PANEL ON CLIMATE CHANGE নহয়নে বাৰু?

সাগৰিকা – হয় তুমি ঠিকেই কৈছা। ড০ তামুলী কওকচোন এই বিষয়ে

ড° তামুলী - IPCC য়ে মূল ভূমিকা পালন কৰি আছে। এই কথা অনুধাৱন কৰা হৈছে যে দীৰ্ঘম্যাদী গেছবোৰে মানুহৰ কাৰ্য্যকলাপৰ দ্বাৰা নিৰ্গমন হোৱা ডুষিত বায়ুৰ প্ৰায় ৬০ শতাংশই তাৎক্ষণিক ভাৱে কমাই দিব পাৰে আৰু বৰ্ত্তমানৰ অৱস্থালৈ আনিব পাৰে। IPCCয়ে অনুমান কৰিছে যে প্ৰতিটো দশকতে গোলকীয় গড় উত্তাপ প্ৰায় ০.৩০ কৈ বাঢ়িছে আৰু অহা শতিকাত গোলকীয় গড় সাগৰপৃষ্ঠৰ উচ্চতা প্ৰায় ৬ চেন্টিমিটাৰকৈ বাঢ়ি যাব।

ড° আকাশ - IPCC য়ে এইটোও মন কৰিছে যে ঔদ্যোগিক ৰাষ্ট্ৰ আৰু উন্নয়নশীল ৰাষ্ট্ৰবোৰৰ, জলবায়ু পৰিৱৰ্ত্তনৰ বাবে হোৱা বৰ্দ্ধিত সমস্যাবোৰ সামধান কৰাত অধিক দায়িত্ব আছে।

অনীশ - IPCC ৰ মূল পৰামশৰ্বোৰ কি কি বাৰু?

ড° তামুলী - IPCC য়ে ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক আটাইকেইটা পৰ্য্যায়ত সেউজগৃহ গেছ নিৰ্গমনৰোধ কৰাৰ বাবে ব্যৱস্থা লৈছে।

অৰ্চিতা – সেই ব্যৱস্থা বা উপায়বোৰ কি কি চাৰ?

ড° তামুলী - IPCC য়ে শক্তিৰ সক্ষ্যমতা বৃদ্ধি, পৰিস্কাৰ শক্তিৰ উৎসৰ ব্যৱহাৰ আৰু প্ৰযুক্তি - অৰণ্য ব্যৱস্থাপনাৰ উন্নতকৰণ, মন্ট্ৰিয়েল প্ৰটকলৰ অধীনত ক্লৰ'ফ্লৰ'কাৰ্বন নিৰ্মূলকৰণ ইত্যাদি উপায় অবলম্বনৰ পৰামৰ্শ দিছে।

অৰ্চিতা – চাৰ আৰু কিমান ৰাষ্ট্ৰই এই চুক্তিত স্বাক্ষৰ কৰিছে?

ড° আকাশ – ২০১৬ চনৰ ডিচেম্বৰলৈ ১৩২ খন ৰাষ্ট্ৰই চুক্তিত স্বাক্ষৰ কৰিছে। ২০১৬ চনৰ ৪ নবেম্বৰৰ পৰা এইখন কাৰ্য্যকৰী হৈছে।

সাগৰিকা – ইয়াৰ উদ্দেশ্য কি বাৰু?

ড° তামুলী – মৈ কৈছো ৰ'ব। পেৰিছ চুক্তিৰ প্ৰধান উদ্দেশ্য হল বিশ্বজুৰি জনমত গঠনকৰা যিয়ে জলবায়ু পৰিবৰ্ত্তনৰ ফলত যি ভয়ংকৰ গোলকীয় উত্তাপ বৃদ্ধি হৈছে সেই উত্তাপৰ হাৰ যাতে প্ৰাক শিল্প বিপ্লৱৰ সময়ৰ পৰা হোৱা বৃদ্ধিৰ হাৰতকৈ দুই ডিগ্ৰী কমি থাকে। পাৰিলে এই হাৰ ১.৫ ° লৈ কমাব লাগে।

ড° আকাশ – সেই চুক্তিয়ে এইটোও লক্ষ্য ৰাখিছিল যে সমগ্ৰ ৰাষ্ট্ৰই জলবায়ু পৰিৱৰ্ত্তনৰ প্ৰভাৱৰ সৈতে সম্পৰ্ক ৰখাৰ সক্ষমতা যেন বৃদ্ধি কৰিব পাৰে।

সাগৰিকা – চুক্তিখনত দলসমূহৰ দায়িত্ব সম্পৰ্কে কি নিৰ্দ্দেশনা আছে বাৰু?

ড° আকাশ – চুক্তিখনত নিৰ্দ্দেশ দিয়া আছে যে সকলো দলে ৰাষ্ট্ৰীয় ভাৱে নিৰ্দ্দিষ্ট কৰি দিয়া অৰিহণাবোৰ যোগান ধৰিবলৈ যিমান পাৰে সিমান চেষ্টা কৰিব লাগে। অৰ্থাৎ সকলো প্ৰকাৰে শ্ৰেষ্ঠ প্ৰচেষ্টাৰে এই জলবায়ু পৰিবৰ্ত্তনৰ প্ৰক্ৰিয়া প্ৰতিৰোধ কৰিব লাগিব।

ড° তামুলী – আৰু এটা কথা। সেউজগৃহ গেছৰ নিৰ্গমণ ৰোধ কৰিবলৈ আৰু উন্নয়নৰ ধাৰাবাহিকতা ৰক্ষা কৰিবলৈ আগবাঢ়ি আহি সমৰ্থন আগবঢ়াবলৈ কিছুমান কৌশল আছে। ইয়াকে সহজভাষাত ধাৰাবাহিক উন্নয়ন কৌশল বোলে।

শইকীয়া – ড০ তামুলী – মই ভাবো আমাৰ ভাৰত চৰকাৰে জলবায়ু পৰিবৰ্ত্তনৰ বাবে ভালেমান পদক্ষেপ লৈছে।

ড° তামুলী - হয়। ভাৰতে UNFCCC আৰু কিঅ'ট' প্ৰটকল সমৰ্থন কৰি প্ৰতিশ্ৰুতিৱদ্ধ হৈছে। সেয়ে ২০১৭ চনৰে পৰা পেৰিছ চুক্তিৰ কাম সম্পাদন কৰাৰ বাবে কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰীয়ে নিৰ্দ্দেশ দিছে।

ড° আকাশ -বিশ্বৰ সেউজগৃহ গেছ নিৰ্গমণৰ ৪.১ শতাংশ ভাৰতে কৰে – যিটো জলবায়ু পৰিবৰ্ত্তনৰ বাবে অতি ভয়ংকৰ। গতিকে ভাৰতে এনে ধৰণৰ আইন সঙ্গত আৰু প্ৰতিষ্ঠিত কৌশল প্ৰয়োগ কৰিব লাগিব যিটো পৰিৱেশৰ বাবে প্ৰত্যাহবান হ'ব। গতিকে বিভিন্ন পৰিৱেশ অনুকুল উপায় অবলম্বন কৰিব লাগিব। বিষেশকৈ পুনৰ্নবীকৰণ শক্তিৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিব লাগ্গিব।

শইকীয়া – পেৰিছ চুক্তিৰ আধাৰত কিছুমান পদক্ষেপ ল'ব লাগিব।

ড° আকাশ – হয়। ভাৰতে ইতিমধ্যে নতুন জলবায়ু আঁচনি ঘোষণা কৰিছেই।

সাগৰিকা – সেউজগৃহ গেছ নিৰ্গমনত কৃষি ব্যৱস্থাইও প্ৰভাৱ পেলাইছে।

ড° তামুলী - IPCC য়ে এই কথা লক্ষ্য কৰিছে। পোহনীয়া জন্তুৰ ব্যৱস্থাপনা আৰু বিকল্পকৰণ, সাৰ প্ৰস্তুতকৰণ আৰু খাদ্যবস্তুৰ সুৰক্ষা কৰি কৃষিভূমি ব্যৱহাৰৰ পৰিবৰ্ত্তন আদি ব্যবস্থাৰ প্ৰতি IPCC য়ে পৰামৰ্শ দিছে।

অনীশ – মোৰ মনত আছে IPCC য়ে জলবায়ু পৰিবৰ্ত্তনত মানুহৰ গতিশীলতাৰ অত্যন্ত প্ৰভাৱ আছে বুলি মত পোশণ কৰিছে।

সাগৰিকা – কিছুমান ৰাষ্ট্ৰই গড় উত্তাপ বৃদ্ধি ১.৫° ডিগ্ৰীত বান্ধি ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলাইছে যাতে, সাগৰ পৃষ্ঠ বাঢ়ি গৈ তেওঁলোকৰ ৰাষ্ট্ৰখন বিশ্বৰ মানচিত্ৰৰ পৰা হেৰাই নাযায়।

ড° তামুলী – হয় বাইদেউ। জলবায়ু পৰিবৰ্ত্তনৰ চৰমভাবাপন্নই মানুহৰ গতিশীলতা বঢ়াইছে আৰু স্থান পৰিবৰ্ত্তন কৰাইছে। কেতিয়াবা দেশৰ ভিতৰতে আৰু হয়তো অন্য দেশলৈ মানুহে গতি কৰিছে। এইবোৰক জলবায়ু – ভগনীয়া বোলে। ভাৰতবৰ্ষত মাটি আৰু পানীৰ দুৰ্য্যোগ এনে অৱস্থা পোৱাইছে যে এটা সময়ত সম্পদৰ ওপৰত বিৰুপ প্ৰভাব পৰিবগৈ।

ড° আকাশ – সেয়ে, এই জলবায়ু - ভগনীয়াবোৰৰ সমস্যা সমাধানৰ হকে কিছুমান ব্যৱস্থা লোৱাৰ চেষ্টা কৰা হৈছে।

অৰ্চিতা – যোৱাবছৰ মৰক্কোৰ মাৰ্ৰাকেচত এখন সভা হৈছিল।

সাগৰিকা – সেই সভাখনত কি কি সিদ্ধান্ত হ'ল?

ড° আকাশ – সেই সভাত ঘোষণা কৰা হয় যে এই বছৰ ২০১৮ চনত পেৰিছ চুক্তিৰ সিদ্ধান্ত বোৰ কাৰ্য্যকৰী কৰাৰ শেষ সীমা। কিয়নো সমগ্ৰ বিশ্বজুৰি জলবায়ু পৰিবৰ্ত্তনৰ এক অদ্ভূত পৰিণাম প্ৰত্যক্ষ কৰা হৈছে।

আকাশ – অ' বিজয়ৱাৰা ষ্টেসন পালোহি

কেন্টিনবয় – এয়া আপোনালোকৰ আহাৰ লওক – এইয়া পানীৰ বটল ...

অনীশ – আমাৰ বৰ ভাল আলোচনা হ'ল দেই।

আটায়ে – আমাৰ যাত্ৰা সফল হ'ল বুলি ক'ব পৰা যাব হাঃ হাঃ হাঃ।

*************************************************************

প্ৰশ্ন প্ৰস্তুতি – ড° শ্যামা প্ৰসাদ শৰ্মা

১. পৃথিৱীৰ প্ৰথমখন জলবায়ু চুক্তি কি হিচাপে জনাজাত? ইয়াৰ ম্যাদ কিমানলৈ আছে?

উত্তৰ – পেৰিচ চুক্তি, ২০২০ লৈ।

২. IPCC কোনটো অনুষ্ঠাণৰ সংক্ষিপ্ত নাম?

উত্তৰ - Intergovernmental Panel for Climate Changes

*************************************************************